# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৬৯৭/২০২০**

## মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়াক বিদায় সম্ভাষণ জনালে মুখ্যমন্ত্ৰীয়ে

## নৱনিযুক্ত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তেখেতৰ চৰকাৰী বাসভৱনত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে বিগত চাৰে চাৰি বছৰ ধৰি সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰা বিদায়ী প্ৰধান সচিব সঞ্জয় লোহিয়াক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱাৰ উপৰি নৱ-নিযুক্ত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক আনুষ্ঠানিকভাৱে আদৰণি জনায়।

বিদায় সম্ভাষণ জনাই প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী সোণোৱালে বিগত চাৰে চাৰি বছৰে মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে নিষ্ঠাৰে দায়িত্ব পালন কৰি মুখ্যমন্ত্ৰীৰ সচিবালয়ত এক শৃংখলাবদ্ধ পৰিৱেশ গঢ়ি তোলাৰ দিশত সঞ্জয় লোহিয়াই বিশেষ ভূমিকা পালন কৰি গৈছে বুলি কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ নীতি আৰু আদৰ্শক আগবঢ়াই নিয়াৰ দিশতো সঞ্জয় লোহিয়াই অগ্ৰণী ভূমিকা পালন কৰি গৈছে বুলি তেখেতে উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলক এটা পৰিয়ালৰ অংশ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই পৰিয়ালটোৰ মাজত কৰ্ম সংস্কৃতি তথা আত্মীয়তা গঢ়ি তোলাৰ দিশতো বিদায়ী প্ৰধান সচিব গৰাকীয়ে বিশেষ ভূমিকা পালন কৰি গৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক আদৰণি জনাই তেখেতৰ নেতৃত্বত মুখ্যমন্ত্ৰীৰ সচিবালয়ত কৰ্ম সংস্কৃতিৰ এক নতুন বাতাবৰণৰ সূচনা হ'ব বুলি আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ বিদায়ী প্ৰধান সচিব সঞ্জয় লোহিয়াই বক্তব্য প্ৰদান কৰাৰ উপৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, নৱনিযুক্ত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তীয়েও বক্তব্য প্ৰদান কৰে।

**সুঃদঃ / বঃভাঃ**
**২০/১০/২০২০**